**2026**

# ASSAMESE

( Major )

Paper : ASS0600204

( অসমৰ আৰ্যভিন্ন ভাষা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) *A Descriptive Analysis of the Boro Language* গ্ৰন্থখন কাৰ ৰচনা ?

(খ) খাচী ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত ?

(গ) ককবৰক ভাষা প্ৰধানকৈ ভাৰতৰ কোনখন ৰাজ্যত প্ৰচলিত ?

(ঘ) ৰাভা ভাষাৰ যি কোনো এটা উপভাষাৰ নাম লিখা।

(ঙ) "অসমীয়া ভাষা বিভিন্ন আৰ্য-ভিন্ন ভাষাৰ সাগৰৰ মাজৰ এটা সৰু দ্বীপৰ নিচিনা।" এই কথাষাৰ কোনজন ভাষাবিদৰ ?

(চ) অসমীয়া ভাষাৰ এটা প্ৰধান নৃ-গোষ্ঠীয় উপভাষাৰ নাম লিখা।

(ছ) বৰো ভাষাই কোন চনত বৰো-অধ্যুষিত অঞ্চলৰ বাবে সহযোগী ৰাজ্যিক ভাষাৰ স্বীকৃতি লাভ কৰিছিল?

(জ) অসমত বৰ্তমান প্ৰচলিত টাই-চীনীয় শাখাৰ এটা ভাষাৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) অষ্ট্ৰিক ভাষা-পৰিয়ালৰ শাখা দুটাৰ নাম কি?

(খ) গাৰো ভাষাত সুৰৰ বৈশিষ্ট্যসূচক প্ৰয়োগ আছেনে? এই ভাষাত 'ৰ'-ৰ প্ৰয়োগত কি বৈশিষ্ট্য দেখা যায়?

(গ) ডক্টৰ বাণীকান্ত কাকতিৰ মতে 'লুইত' নামটো কি মূলৰ ভাষাৰ পৰা, কেনেদৰে সাধন হৈছে?

(ঘ) দ্ৰাবিড় ভাষা-পৰিয়ালৰ ভাষাসমূহ মূলতঃ ক'ত প্ৰচলিত? এই পৰিয়ালৰ কোনটো ভাষাত প্ৰাচীনতম লিখিত সাহিত্য পোৱা যায়?

(ঙ) অসমীয়া ভাষাৰ তলৰ শব্দ দুটা বৰো ভাষাত কেনেদৰে পৰিৱৰ্তিত ৰূপত উচ্চাৰণ হয়?

কঁঠাল, পাপ

(চ) অসমত প্ৰচলিত সুৰৰ বিশিষ্ট প্ৰয়োগ থকা দুটা আৰ্যভিন্ন ভাষাৰ নাম লিখা।





(ছ) তিব্বত-বৰ্মী, বড়ো বৰ্গৰ ভাষাসমূহৰ ভিতৰত আটাইতকৈ পূৰ্বদেশত প্ৰচলিত ভাষাটোৰ নাম কি? এই ভাষাক মূল ভাষাৰ অতি ওচৰচপা প্ৰাচীনতম ভাষা বুলি কোনে মন্তব্য কৰিছিল?

(জ) বৰো ভাষাৰ উপভাষাৰ সংখ্যা কেইটা? ইয়াৰ কোনটো উপভাষাক মান্যভাষা বুলি গণ্য কৰা হয়?

(ঝ) কাৰ্বি ভাষাটো কোন পৰিয়ালৰ অন্তৰ্গত? কাৰ্বি ভাষাৰ 'ৰামায়ণ'ৰ নাম কি?

(ঞ) তিব্বত-বৰ্মীৰ উত্তৰ অসম শাখাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰচলিত একমাত্ৰ ভাষাটোৰ নাম কি? উত্তৰ অসম শাখাৰ উত্তৰ-পূৰ্ব ভাৰতৰ পাহাৰীয়া অঞ্চলত প্ৰচলিত এটা ভাষাৰ নাম উল্লেখ কৰা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) আধুনিক যুগত গাৰো ভাষাৰ অধ্যয়ন সম্পৰ্কে লিখা।

(খ) অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষবাচক বিভক্তিৰ ক্ষেত্ৰত আৰ্যভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে লিখা।

(গ) কাৰ্বি ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে এটা টোকা লিখা।

(ঘ) নৃ-গোষ্ঠীয় উপভাষাৰ সংজ্ঞা দি অসমত এনে উপভাষা সৃষ্টিৰ পটভূমি আৰু কাৰণ ব্যাখ্যা কৰা।

(ঙ) অষ্ট্ৰ'-এচিয়াটিক ভাষাৱলীৰ বিস্তৃতি সম্পৰ্কে লিখা।

(চ) নাগামিজ বা নেফামিজ ভাষা সম্পৰ্কে এটি টোকা লিখা।

(ছ) অসমৰ ঠাই আৰু নদীৰ নামত আৰ্যভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে উদাহৰণসহ বিচাৰ কৰা।

(জ) ৰাভা-অসমীয়া ভাষাত ৰাভা ভাষাৰ উপাদান বা প্ৰভাৱ কেনেদৰে দেখা যায়, আলোচনা কৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) চীন-তিব্বতীয় ভাষা কওঁতাসকলৰ আদিম বাসস্থান তথা অসমত এই পৰিয়ালৰ ভাষাৰ বিস্তৃতি আৰু প্ৰচলনৰ বিষয়ে লিখা।

(খ) বৰো বা ৰাভা ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব সামৰি এটি আলোচনা আগবঢ়োৱা।

(গ) আধুনিক যুগত মিচিং *অথবা* কাৰ্বি ভাষাৰ চৰ্চা আৰু অধ্যয়ন কেনেকৈ চলি আছে, আলোচনা কৰা।

(ঘ) অসমত প্ৰচলিত তিব্বত-বৰ্মী শাখাৰ ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্যত আলোকপাত কৰি আলোচনা আগবঢ়োৱা।

(ঙ) অসমৰ আৰ্যভিন্ন ভাষাসমূহত অসমীয়া ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে, উদাহৰণসহ আলোচনা কৰা।

★★★